# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-02-2025
**Time :** 1340 hrs

## Assamese Midday Bulletin
## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীত আজি পুৱা হোৱা ভূমিকলম্পৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক সুস্থিৰ ভাৱে থাকিবলৈ আৰু প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জনসাধাৰণক আহ্বান জনাইছে।ড়

২। ভাৰতে ৰকেট ইঞ্জিনত ব্যৱহাৰৰ বাবে ১০ টন গোটা ইন্ধন বিশিষ্ট ৰকেট ইঞ্জিন উদ্ভাৱন কৰিছে।

৩। অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হৈছে। কোকৰাঝাৰত বিটিচিৰ বিধায়িনী ভৱনত আয়োজিত অধিৱেশনৰ প্ৰথম দিনটোৰ আৰম্ভণিতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কোকৰাঝাৰত এই কাৰ্যসূচী গ্ৰহণ কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰে।

*আৰু*

৪। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীত আজি পুৱা হোৱা ভূমিকম্পৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক সুস্থিৰভাৱে থাকিবলৈ আৰু প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে। প্ৰশাসন তথা সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি আহিছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত শংকিত নহবলৈ তেওঁ সকলো শ্ৰেণীৰ ৰাইজক আহ্বান জনায়। উল্লেখযোগ্য যে আজি পুৱা দিল্লীত অনুভূত এই ভূমিকম্পৰ পাছত হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। সামাজিক মাধ্যমত প্ৰচাৰ কৰা এটা বাৰ্তাৰ জৰিয়তে দিল্লী আৰক্ষীয়ে নাগৰিকসকলৰ জৰুৰীকালীন সহায়ৰ বাবে ১১২ নম্বৰটো মুকলি কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতে বৰ্তমানৰ ৩ লাখ কোটি টকাৰ পৰা ২০৩০ চনৰ ভিতৰত ৯ লাখ কোটি টকা মূল্যৰ বস্ত্ৰ ৰপ্তানী বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ভাৰত টেক্স-২০২৫ অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে বিগত বৰ্ষত ভাৰতৰ বস্ত্ৰ ৰপ্তানী আৰু পোছাকৰ পঞ্জীয়ন ৭ শতাংশ বৃদ্ধি পাইছে। তেওঁ কয়, যে ভাৰত বৰ্তমান

বিশ্বৰ ষষ্ঠ বৃহৎ বস্ত্ৰ আৰু পোছাক ৰপ্তানীকাৰী দেশ। তেওঁ কয়, যে ভাৰতে উচ্চ মান সম্পন্ন কাৰ্বন ফাইবাৰ নিৰ্মাণৰ দিশত আগবাঢ়িছে। চৰকাৰে বস্ত্ৰখণ্ডৰ বাবে দক্ষ পুল সৃষ্টিৰ হকেও কাম কৰি আহিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য দেশৰ বিভিন্ন স্থানত উৎপাদিত বস্ত্ৰত প্ৰতিফলিত হৈছে। তেওঁ কয়, যে ফাৰ্ম, ফাইবাৰ, ফেব্ৰিক, ফেশ্বন আৰু বৈদেশিক দৃষ্টিভংগী বৰ্তমান এটা অভিযানত পৰিণত হৈছে আৰু ই ভাৰতৰ বৃদ্ধিৰ ক্ষেত্ৰসমূহ সম্প্ৰসাৰিত কৰিছে। ভাৰতে পূৰ্বে অন্য দেশৰ পৰামৰ্শ মতে কাপোৰ পিন্ধিছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ পৰিৱৰ্তে এতিয়া কি কাপোৰ পিন্ধিব সেই দিশত বিশ্বক ভাৰতে পৰামৰ্শ দিব পাৰিব। হস্ততাঁত শিল্পীসকলৰ দক্ষতা বিশ্বৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁলোকৰ সামৰ্থ আৰু সুযোগো বৃদ্ধি পাব লাগে বুলি শ্ৰী মোদীয়ে লগতে মতপ্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বিগত ১০ বছৰত বস্ত্ৰশিল্পৰ প্ৰচাৰৰ বাবে দুহেজাৰ ৪০০ৰো অধিক বৃহৎ বিপণনৰ আয়োজন কৰা হৈছে।

শ্ৰীমোদীয়ে কালি প্ৰদৰ্শনী অঞ্চল ভ্ৰমণ কৰাৰ লগতে প্ৰদৰ্শকসকলৰ সৈতে মত বিনিময় কৰে। ভাৰত টেক্স ২০২৫ অনুষ্ঠানটো যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হৈছে। আজি সামৰণি পৰিবলগীয়া এই অনুষ্ঠানত কেঁচা সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন আনুষংগিক সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে। উল্লেখযোগ্য যে ভাৰত টেক্স মঞ্চ হৈছে বস্ত্ৰ উদ্যোগৰ আটাইতকৈ ডাঙৰ আৰু ব্যাপক অনুষ্ঠান।

ooooo

ভাৰতে ৰকেট ইঞ্জিনত ব্যৱহাৰৰ বাবে ১০ টন গোটা ইন্ধন বিশিষ্ট ৰকেট ইঞ্জিন উদ্ভাৱন কৰিছে। গোটা আৰু জুলীয়া এই মিশ্ৰণ ইছৰ'ৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰক আৰু বেংগালুৰুৰ কেন্দ্ৰীয় উৎপাদন প্ৰযুক্তি প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত প্ৰস্তুত কৰা হৈছে। এই মিশ্ৰণৰ ওজন হৈছে ১৫০ টন আৰু উচ্চতা ৮ দশমিক ৭ মিটাৰ। ৫ দশমিক ৪ মিটাৰ দৈৰ্ঘ্য আৰু ৩ দশমিক ৩ মিটাৰ প্ৰস্থৰ এই মিশ্ৰণ মহাকাশ প্ৰযুক্তিত ব্যৱহৃত হ'বলগীয়া সকলোতকৈ বৃহৎ আয়তনৰ বুলি ইছৰ'ই দাবী কৰিছে। ইছ'ৰয়ে ইয়াক মহাকাশ আত্মনিৰ্ভৰ ভাৰত পদক্ষেপৰ অধীনত মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ ক্ৰমৱৰ্ধমান আত্মনিৰ্ভৰশীলতাৰ প্ৰতীক বুলি অভিহিত কৰিছে।

ooooo

দিল্লীত বি এছ এফৰ উদ্যোগত কাইলৈৰ পৰা অহা ২০ ফেব্ৰুৱাৰীলৈ সীমান্ত সুৰক্ষা বাহিনী আৰু বাংলাদেশৰ সীমান্তৰক্ষী বি জি বিৰ মাজত ৫৫ সংখ্যক সঞ্চালক পৰ্যায়ৰ সীমা সহযোগিতা সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনৰ সময়ত বি এছ এফৰ সঞ্চালক প্ৰধান দলজিৎ সিং চৌধাৰীৰ নেতৃত্বত ভাৰতৰ বি এছ এফৰ প্ৰতিনিধি দলে বি জি বিৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজামান চিদ্দিকিৰ নেতৃত্বত বি জি বিৰ প্ৰতিনিধি দলক সাক্ষাৎ কৰিব।

এই সন্মিলনত সীমান্ত সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰাৰ লগতে দুয়ো দেশৰ সীমান্তৰক্ষী বাহিনীৰ মাজত সহযোগিতা উন্নত কৰা বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। এই সন্মিলনতে বাংলাদেশৰ দুৰ্বৃত্তই বি এছ এফৰ জোৱান আৰু ভাৰতীয় নাগৰিকক কৰা আক্ৰমণ প্ৰতিৰোধ, সীমাৰ সিপাৰৰ অপৰাধ প্ৰতিৰোধৰ লগতে অন্যান্য বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

ooooo

অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হৈছে। অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আজি কোকৰাঝাৰত অনুষ্ঠিত হৈছে। বিটিচিৰ বিধায়িনী ভৱনত দুপৰীয়া ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হয়। ৰাজ্যপাল গৰাকীয়ে তেওঁৰ ভাষণত কোকৰাঝাৰত এই কাৰ্যসূচী আৰম্ভণী কৰা ব্যৱস্থাক ভূয়সী প্ৰশংসা কৰে। এই অধিৱেশনৰ কালত হোৱা চৰ্চাসমূহে তথা অধিৱেশনত গৃহীত সিদ্ধান্তসমূহে নাগৰিকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাত সহায়ক হোৱাৰ উপৰি অসমক এখন অধিক সফল ৰাজ্যত পৰিণত কৰাত বিশেষভাৱে অৰিহণা যোগাব বুলি আশা ব্যক্ত কৰে। প্ৰাচীন কামৰূপ আৰু প্ৰাগজ্যোতিষৰ ইতিহাসৰ পৰা আৰম্ভ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰ বিষয়ে উল্লেখ কৰি শ্ৰী আচাৰ্যই অসমৰ গুৰুত্ব তথা মহত্বৰ বিষয়েও নিজৰ মত ব্যক্ত কৰে। প্ৰসংগক্ৰমে তেওঁ মহাবীৰ লাচিত বৰফুকনৰ বিষয়েও উল্লেখ কৰে। বৰ্তমানৰ চৰকাৰৰ বিভিন্ন ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি তেওঁ লগতে কয়, যে এনে পদক্ষেপসমূহে ৰাজ্যখনক ক্ৰমান্বয়ে দেশৰ আন অংশৰ সৈতে অধিক সক্ৰিয় তথা গতিশীলভাৱে জড়িত কৰিবলৈ সমৰ্থ হৈছে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি আদি বিভিন্ন প্ৰসংগ উল্লেখ কৰাৰ লগতে অসম চৰকাৰে ইতিমধ্যে ২৪ লাখৰো অধিক মহিলালৈ আগবঢ়োৱা অৰুণোদয় আঁচনিৰ সুবিধা, ষ্টাৰ্টআপ প্ৰতিষ্ঠানলৈ আগবঢ়োৱা উৎসাহজনক সহায়-সহযোগ আদিৰ বিষয়ে উল্লেখ কৰে। তদুপৰি তেওঁ জাগীৰোডৰ প্ৰস্তাৱিত ছেমি কণ্ডাক্টৰ প্ৰকল্পকে আদি কৰি অসমত ঔদ্যোগিক বিকাশ আৰু কৰ্মসংস্থাপন বৃদ্ধিৰ হকে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে ব্যাখ্যা কৰে।

অভিলেখ সৃষ্টিৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা  ঝুমুৰ নৃত্যৰ বিশেষ অনুষ্ঠানটোৰ বিষয়ে উল্লেখ কৰি তেওঁ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে শেহতীয়াকৈ বিহু নাচৰ এটা অনুষ্ঠানে এই ক্ষেত্ৰত ইতিহাসৰ সৃষ্টি কৰাৰ পাছত আয়োজন কৰা এই অনুষ্ঠানত চাহ জনগোষ্ঠীৰ প্ৰায় ৮ হেজাৰ গৰাকী নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। ৰাজ্যপালৰ ভাষণৰ পাছতে ডেৰ ঘণ্টাৰ বাবে সদন স্থগিত ৰখা বুলি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত তেওঁলোকক বি টি চিৰ বিধায়িনী ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভণিতে  বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণি ভাষণত কোকৰাঝাৰত এই অধিৱেশনৰ আয়োজন কৰা পদক্ষেপক ঐতিহাসিক বুলি অভিহিত কৰি ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব।

০০০০০

দেশজুৰি আজিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী হৈছে। নেচনেল পেমেণ্টছ কৰ্পৰেচন অৱ ইণ্ডিয়া আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে টোলগে'টসমূহত যান-বাহনৰ কৰ সংগ্ৰহ ব্যৱস্থাৰ

ক্ষেত্রত আজিৰে পৰা কিছু সালসলনি কৰিছে। এই অনুসৰি কৰ সংগ্ৰহৰ বৈদ্যুতিন ব্যৱস্থা ফাষ্টটেগত নিৰ্দিষ্ট পৰিমাণতকৈ কম ধনৰাশি থাকিলে, লেনদেনত বিলম্ব হ'লে নতুবা টেগসমূহ নিষ্ক্ৰিয় হৈ থাকিলে অতিৰিক্ত কৰ আদায় কৰা হ'ব। তদুপৰি টোলগে'ট পাৰ হোৱাৰ এঘণ্টা পূৰ্বে আৰু পাৰ হোৱাৰ ১০ মিনিট পিছত ফাষ্টটেগ নিষ্ক্ৰিয় হৈ থাকিলেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

য়াৰেংজুংলা লংকুমেই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৱে আজি দিনৰ ১০ বজাত ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমতী লংকুমেৰক শপতগ্ৰহণ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ আৰু অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিয়োগিতাৰ আজিবদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত হবলগীয়া এখন খেলত ডেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন  সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা একেখন ষ্টেডিয়ামতে অনুষ্ঠিত এখন খেলত গুজৰাট জায়েন্টছে ইউ পি ৱাৰিয়ৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। গুজৰাট জায়েণ্টছ ১৮ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৪৪ ৰানৰ লক্ষ্যত উপনীত হয়। খেলখনত অধিনায়ক এছলি গাৰ্ডনাৰে ৫২ ৰান সংগ্ৰহ কৰে। এছলি গাৰ্ডনাৰক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়। ডিএণ্ড্ৰা ডটিনে অপৰাজিত ৩৩ ৰান আৰু হাৰ্লিন ডিওলে ৩৪ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি ইউ পি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত 20 অভাৰত ৯ টা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ দীপ্তি শৰ্মাই ৩৯ ৰান আৰু উমা চেত্ৰীয়ে ২৭টা বলত ২৪ ৰান সংগ্ৰহ কৰে। প্ৰিয়া মিশ্ৰই খেলখনত তিনিটা উইকেট দখল কৰে।

০০০০০

**সমাপ্ত**